Study Materials.
4th Sem (Major)
Paper – 4.1. (International Relations)

Q. What is Foreign Policy? Discuss the various determinates of Foreign Policy.
(বৈদেশিক নীতি বুলিলে বুজা? বৈদেশিক নীতি নিৰ্দ্ধাৰক কাৰকসমূহ আলোচনা কৰা)

Q. What do you mean by Diplomacy? Explain the various functions of diplomacy.
(কূটনীতি বুলিলে কি বুজা? কূটনীতিৰ বিভিন্ন কাৰ্যাৱলী বৰ্ণনা কৰা)

Paban Kr. Bishaya.
Deptt of Pol. Science
(Asstt. Prof)

১) বৈদেশিক নীতি বুলিলে কি বুজা? বৈদেশিক নীতি নিৰ্ধাৰণৰ কাৰকসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

উত্তৰঃ- কোনো দেশেই সম্পূৰ্ণভাৱে আত্মনিৰ্ভৰশীল নহয় আৰু দেশসমূহ পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে সকলো দেশেই আন দেশৰ লগত সু সম্পৰ্ক স্থাপনত আগ্ৰহী। দেশ সমূহে পৰস্পৰৰ মাজত সম্পৰ্ক স্থাপনৰ বাবে প্ৰস্তুত কৰা নীতি সমূহকে বৈদেশিক নীতি হিচাপে জনা যায়। দেশসমূহৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতা সাম্প্ৰতিক সময়ত ক্ৰমেই বৃদ্ধি পাইছে। ইয়াৰ ফলশ্ৰুতিত দেশসমূহৰ বাবে বৈদেশিক নীতিৰ তাৎপৰ্যও বিশেষভাৱে বাঢ়িছে। দেশ এখনে নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে অতি সুচিন্তিতভাৱে বৈদেশিক নীতি প্ৰস্তুত কৰে আৰু বৈদেশিক নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত দেশখনে নিজৰ সংস্কৃতি, পৰম্পৰা, আৰ্থ-সামাজিক অৱস্থা আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ গতি-বিধি ইত্যাদি বিবেচনা কৰিবলগীয়া হয়। বৈদেশিক নীতি নিৰ্ধাৰণ আৰু ৰূপায়ণ এটা মূলতঃ জটিল কাৰ্য আৰু ইয়াত বিভিন্ন বিষয় জড়িত হৈ থাকে। দেশ এখনৰ সুৰক্ষা, অৰ্থনীতি আনকি দেশখনৰ শাসনৰ স্থায়িত্ব থকা চৰকাৰখনৰ অস্তিত্ব প্ৰায় তাৰ বৈদেশিক নীতিৰ ওপৰত নিৰ্ভৰ কৰে।

বৈদেশিক নীতিৰ সংজ্ঞা সম্পৰ্কে কোনো সৰ্বসন্মত মত পোৱা নাযায় আৰু এই সম্পৰ্কে পণ্ডিত-সকলে বিভিন্ন মত আগবঢ়োৱা দেখা যায়।

জৰ্জ মডেলস্কিৰ (George Modelski) ৰ মতে,

Scanned with CamScanner

"সম্প্ৰদায়সমূহে আন দেশৰ ব্যৱহাৰ সলনি কৰাৰ বাবে বা আন্তঃৰাষ্ট্ৰীয় পৰিৱেশৰ লগত নিজৰ ব্যৱহাৰ খাপ খুৱাবলৈ উদ্ভাৱন কৰা কিছুমান কাৰ্য-কলাপৰ সমষ্টি।"

এফ. এচ. নৰ্থেজ (F.S. Northedge) ৰ মতে, "বৈদেশিক নীতি হৈছে এখন দেশৰ ৰাজনৈতিক অঞ্চলৰ ওপৰে ব্যৱহাৰ যাৰ দ্বাৰা উক্ত দেশক ভৌগোলিকৰ অধিন অঞ্চল ক্ষমতা কেইখন দেশে আকাংক্ষা কৰাৰ ধৰণে প্ৰয়োগ কৰাৰ বাবে প্ৰৰোচিত কৰা হয়; এয়া হৈছে দেশৰ সীমাৰ বাহিৰৰ সৃষ্টি আৰু দেশৰ ভিতৰত ক্ৰিয়াশীল শক্তিৰ আন্তঃক্ৰিয়া।"

পেডেলফৰ্ড আৰু লিংকনে (Padelford and Lincoln) "বৈদেশিক নীতি নিৰ্ধাৰণ কৰিবলৈ যে এনেদৰে কৈছে— বৈদেশিক নীতি হৈছে দেশ এখনে ৰাষ্ট্ৰীয় উদ্দেশ্যসমূহ পূৰণ কৰাৰ বাবে নিজৰ কৰ্তৃত্বৰ সীমাৰ বাহিৰৰ পৰিৱেশত গ্ৰহণ কৰা কাৰ্যপদ্ধতি।"

দেশসমূহৰ বৈদেশিক নীতি নিৰ্ধাৰণত বিভিন্ন কাৰকে প্ৰভাৱ পেলায় আৰু এই কাৰক সমূহকে বৈদেশিক নীতি নিৰ্ধাৰণকাৰী কাৰক হিচাপে জনা যায়। বৈদেশিক নীতি নিৰ্ধাৰক কাৰকসমূহ দেশ আৰু সময় - সাপেক্ষে। অৰ্থাৎ এই কাৰকসমূহ সকলো দেশৰ বাবে একে নহয় আৰু সময় অনুসৰি সেই কাৰকসমূহৰ গুৰুত্ব বা প্ৰাসংগিকতাৰো পৰিৱৰ্তন ঘটে। বৈদেশিক নীতি নিৰ্ধাৰককাৰী মূলতঃ আভ্যন্তৰীণ আৰু বাহ্যিক। এই দুটা

Scanned with CamScanner

লোকত ভোগাব পাৰি। দেশৰ সীমাৰ ভিতৰত উপলব্ধ বৈদেশিক নীতি নিৰ্ধাৰণকাৰী কাৰকসমূহক আভ্যন্তৰীণ আৰু দেশৰ সীমাৰ বাহিৰৰ কাৰকসমূহক বাহ্যিক নীতি নিৰ্ধাৰণকাৰী কাৰক বুলি ক'ব পাৰি। তলত এই দুয়ো প্ৰকাৰ কাৰকৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

(A) আভ্যন্তৰীণ কাৰক :-

(i) <u>ভূগোল (Geography)</u>:- দেশ এখনৰ ভৌগোলিক অৱস্থিতি তাৰ বৈদেশিক নীতি নিৰ্ধাৰণত বিশেষভাৱে প্ৰভাৱ পেলায়। ভৌগোলিক অৱস্থিতি অধিবাসে দেশ এখনৰ আকাৰ, প্ৰাকৃতিক সম্পদ, ভৌগোলিক স্থিতি, জনসংখ্যা, জলবায়ু আদিক সূচায়। এই ভৌগোলিক উপাদানসমূহে দেশ এখনৰ সবলতা বা সামৰ্থতা নিৰূপণ কৰে আৰু দেশ এখনে কেনে ধৰণৰ বৈদেশিক নীতি অনুসৰণ কৰিব সেয়া বহু পৰিমাণে নিৰ্ভৰ কৰে দেশখনৰ সামৰ্থ্যৰ ওপৰত।

উল্লেখযোগ্য যে, এই ভৌগোলিক উপাদানসমূহৰ আন কাৰকৰ ওপৰতো নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে দেশ এখন প্ৰাকৃতিক সম্পদত চহকী হ'লেও শক্তিশালী নহ'বও পাৰে যদিহে দেশখনৰ উপযুক্ত নেতৃত্ব আৰু সেই সম্পদসমূহ ব্যৱহাৰ কৰিব পৰা প্ৰয়োজনীয় কাৰিকৰী জ্ঞান নাথাকে। অৱশ্যে সাম্প্ৰতিক সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব বিকাশৰ ফলত বৈদেশিক নীতি নিৰ্ধাৰণত ভৌগোলিক উপাদানসমূহৰ গুৰুত্ব হ্ৰাস পাইছে। যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতিৰ

Scanned with CamScanner

শক্তি অভাৱ বা পৰ্বতমালাই আজি কোনো দেশৰ সুৰক্ষা সুনিশ্চিত কৰিব নোৱাৰা হৈছে। সেয়া হ'লেও বৈদেশিক নীতি নিৰ্ধাৰণত ভৌগোলিক উপাদানসমূহৰ গুৰুত্ব সম্পূৰ্ণ নাইকিয়া হৈ যোৱা বুলি ক'ব নোৱাৰি।

(ii) ইতিহাস আৰু পৰম্পৰা (History and Traditions):-

ইতিহাস আৰু পৰম্পৰায়ো দেশ এখনৰ বৈদেশিক নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত গভীৰ ভাৱে প্ৰভাৱ পেলায়। ধাৰাবাহিকতা আৰু পৰিৱৰ্তনশীলতা সকলো বৈদেশিক নীতিৰে বৈশিষ্ট্য আৰু সকলো ধাৰাবাহিকতাই বৈদেশিক নীতিৰ ওপৰত ইতিহাসৰ প্ৰভাৱৰ কথা সূচায়। ইতিহাসে বৈদেশিক নীতি উদ্দেশ্য নিৰ্ধাৰণ কৰোঁতে পথ প্ৰদৰ্শকৰ দৰে কাম কৰে। ১৯৫৯ চনত Frank K. Roberts নামৰ ব্ৰিটিছ বৈদেশিক সেৱাৰ বিষয়া এজনে ব্ৰিটেইনৰ বৈদেশিক নীতিত ইতিহাসৰ প্ৰভাৱৰ কথা স্পষ্টভাৱে উল্লেখ কৰি তিনিটা ঐতিহাসিক কাৰক চিহ্নিত কৰে। ইতিহাসৰ প্ৰভাৱ ভাৰতৰ নিচিনা নতুনকৈ স্বাধীনতা লাভ কৰা দেশৰ বৈদেশিক নীতিত স্পষ্টভাৱে লক্ষ্য কৰিব পাৰি। এই দেশসমূহৰ উপনিবেশিকতাবাদ, সাম্ৰাজ্যবাদ আৰু বৰ্ণবাদ সম্পৰ্কে থকা তিক্ত অভিজ্ঞতাই এই দেশসমূহক উপনিবেশিকতাবাদ, সাম্ৰাজ্যবাদ আৰু বৰ্ণবাদ বিৰোধী নীতি গ্ৰহণ কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল আৰু উপনিবেশসমূহৰ স্বাধীনতা সংগ্ৰামলৈ সমৰ্থন আগবঢ়াবলৈ উদগনি দিছিল। এনেদৰে দেশ এখনৰ পৰম্পৰায়ো বৈদেশিক নীতি নিৰ্ধাৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

Scanned with CamScanner

(iii) অৰ্থনৈতিক উন্নতি (Economic Development):-

এখন দেশৰ অৰ্থনৈতিক বিকাশৰ লগত বৈদেশিক নীতিৰ উদ্দেশ্য আৰু নীতি গভীৰ সম্পৰ্ক আছে। দেশ এখনৰ বৈদেশিক নীতিৰ লক্ষ্য বা অন্যান্য দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ স্তৰৰ ওপৰত নিৰ্ভৰ কৰে। উন্নত দেশ এখনৰ বৈদেশিক নীতিৰ লক্ষ্য অৰ্থনৈতিক ভাৱে অনগ্ৰসৰ দেশ এখনৰ বৈদেশিক নীতিতকৈ পৃথক হ'বলৈ বাধ্য। উন্নত দেশসমূহৰ অৰ্থনৈতিক স্বাৰ্থ গোটেই বিশ্বতে ব্যাপ্ত হৈ থাকে কাৰণে উন্নত দেশসমূহ দুৰ্বল দেশসমূহৰ তুলনাত আন্তৰ্জাতিক ৰাজনীতিৰ লগত বেছি ঘনিষ্ঠভাৱে জড়িত। আনহাতে অৰ্থনৈতিক স্বচ্ছলতাই দেশ এখনক বৈদেশিক নীতিৰ লক্ষ্য পূৰণত অধিক পৰিমাণে সহায় কৰে। উন্নত দেশসমূহে নিজৰ অৰ্থনৈতিক শক্তিক সাধাৰণতে বৈদেশিক নীতিৰ উদ্দেশ্য পূৰণৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে। উন্নত

(iv) সামাজিক গাঁথনি (Social Structure):-

সামাজিক গাঁথনি দেশ এখনৰ বৈদেশিক নীতি নিৰ্ধাৰণৰ এক গুৰুত্বপূৰ্ণ কাৰক। বৈদেশিক নীতিৰ সফলতা বহু পৰিমাণে নিৰ্ভৰ কৰে দেশখনৰ জাতীয় ঐক্য বা দেশপ্ৰেমৰ ওপৰত। জাতীয় ঐক্য স্থাপনত সামাজিক সামঞ্জস্যতাই যথেষ্ট ভূমিকা আগবঢ়ায়। আনহাতে বিভিন্ন সমাজ ধৰ্ম, ভাষা, আঞ্চলিক সম্প্ৰদায় আদিৰ ভিত্তিত বিভাজিত সমাজ দেশৰ জাতীয় ঐক্যৰ পৰিপন্থী। সামঞ্জস্যপূৰ্ণ সমাজে দেশৰ চৰকাৰে

Scanned with CamScanner

সংকটৰ সময়ত সমগ্ৰ জনসাধাৰণৰ আন্তৰিক সহযোগিতা আশা কৰিব পাৰে। বহুদলীয় সমাজত দেশে সহযোগিতা সাধাৰণতে উপলব্ধ নহয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত সমগ্ৰ গ্ৰেট ব্ৰিটেইনবাসীয়ে চাৰ্চিলৰ নেতৃত্বক একান্তিকভাৱে সহায় দিছিল। ইয়ে ব্ৰিটেইনৰ শত্ৰুক পৰাস্ত কৰিবলৈ বিশেষভাৱে সহায় কৰিছিল। একেদৰে ভিট্টোৰিও ইটালীয়ানৰ জনগণৰ একান্তিক প্ৰচেষ্টাৰ বাবে ভিট্টোৰিও ইটালীয়ে জাৰ্মানীৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সমৰ্থ হৈছিল।

(B) বাহ্যিক কাৰক :-

(i) শক্তি গাঁথনি (Power Structure) :-

বিশ্বৰ শক্তি গাঁথনিৰ ওপৰত দেশৰ বৈদেশিক নীতি নিৰ্ভৰ কৰে। ঐতিহাসিক বিশ্বৰ শক্তিৰ গাঁথনিক বহু মেৰুয় (দুটাতকৈ বেছি বৃহৎ শক্তিৰ উপস্থিতি), দ্বি-মেৰুয় (দুটা বৃহৎ শক্তিৰ উপস্থিতি) আৰু এক মেৰুয় (এটা মাত্ৰ বৃহৎ শক্তি উপস্থিতি) ব্যৱস্থাত ভাগ কৰিব পাৰি। প্ৰথম বিশ্বযুদ্ধৰ আগতে বিশ্বৰ শক্তি গাঁথনি বহু মেৰুয় আছিল। শীতল যুদ্ধৰ সময়ত ই দ্বি-মেৰুয় হয়। বিশ্বৰ এই ভিন্ন শক্তিৰ গাঁথনিয়ে দেশসমূহক ভিন্ন বৈদেশিক নীতি গ্ৰহণ কৰিবলৈ বাধ্য কৰায়। অৰ্থাৎ দেশ এখনে কি ধৰণৰ বৈদেশিক নীতি অনুসৰণ কৰিব সেয়া বহু পৰিমাণে নিৰ্ভৰ কৰে বিশ্বৰ শক্তি গাঁথনিৰ ওপৰত।

(ii) আন্তঃৰাষ্ট্ৰীয় সংগঠন আৰু আইন (International Organisation and Law) :-

Scanned with CamScanner

আন্তঃৰাষ্ট্ৰীয় আইন, চুক্তি, সন্ধি বা

আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ উপস্থিতিয়ে দেশৰ বৈদেশিক নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত বিশেষভাৱে প্ৰভাৱ পেলায়। দেশ এখনে বৈদেশিক নীতি নিৰ্ধাৰণ কৰোঁতে আন্তঃৰাষ্ট্ৰীয় আইন বা সেইবোৰক সম্পাদন কৰা বিভিন্ন চুক্তি-সন্ধি আদি বিবেচনাত ৰাখিব লাগে। আন্তঃৰাষ্ট্ৰীয় সংগঠন যেনে ৰাষ্ট্ৰসংঘ, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ববেংক আদিৰ নীতি আৰু কাৰ্যই দেশৰ বৈদেশিক নীতি নিয়ন্ত্ৰণ কৰে। কোনো দেশৰ পক্ষে এইবিলাকৰ উপস্থিতি উলাই কৰা সম্ভৱ নহয়।

(iii) <u>আন দেশৰ বৈদেশিক নীতি (Foreign Policy of Other State)</u> :- বৈদেশিক নীতি প্ৰণয়নত আন দেশৰ সম্পৰ্কত প্ৰস্তুত কৰা হয়। সেয়েহে দেশসমূহে বৈদেশিক নীতি নিৰ্ধাৰণ কৰোঁতে সততে আন দেশৰ প্ৰতিক্ৰিয়া বা বৈদেশিক নীতিৰ লক্ষ্য বিবেচনা কৰিবলগীয়া হয়। কোনো দেশৰ পক্ষে আন দেশৰ স্বাৰ্থৰ সম্পূৰ্ণ পৰিপন্থী নীতি গ্ৰহণ কৰা সম্ভৱ নহয়। কাৰণ তেনে কৰিলে সেইখন দেশে আন দেশৰ কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।

(iv) <u>বিশ্ব জনমত (World Public Opinion)</u>:-

ৰাষ্ট্ৰীয় জনমত যিদৰে বৈদেশিক নীতি নিৰ্ধাৰণৰ কাৰক সেইদৰে বিশ্ব জনমতেও বৈদেশিক নীতিৰ ওপৰত প্ৰভাৱ পেলায়। যোগাযোগ ব্যৱস্থাৰ অদ্ভুত উন্নতিৰ ফলত আজি বিশ্ব জনগণ বিভিন্ন তথ্যৰ দ্বাৰা সমৃদ্ধ আৰু ফলত তেওঁলোকৰ ৰাজনৈতিক চেতনাও বৃদ্ধি পাইছে। সৰ্বোপৰি উন্নত যোগাযোগ ব্যৱস্থাই বিশ্বৰ বিভিন্ন

Scanned with CamScanner

দেশৰ নাগৰিকৰ আজিও অধিক প্ৰত্যক্ষ প্ৰভাৱৰ পৰা মুক্ত কৰি তোলাৰ আজি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় যেনে:- পৰিৱেশ, মানৱ অধিকাৰ, মুক্ত বাণিজ্য, শান্তি আদিত বিশ্ব জনমত গঢ় লৈ উঠা দেখা গৈছে। তেনেক্ষেত্ৰত বিশ্ব জনমতক বৈদেশিক নীতি নিৰ্ধাৰণৰ গুৰুত্বপূৰ্ণ কাৰক হিচাপে বিবেচনা কৰা হয়।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে, এখন ৰাষ্ট্ৰই বৈদেশিক নীতি প্ৰণয়ন কৰোঁতে আভ্যন্তৰীণ কাৰকতকৈ বাহ্যিক গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত অধিক গুৰুত্ব দিব লাগে।

—— x ——

CS Scanned with CamScanner

Q.3 কূটনীতি বুলিলে কি বুজা? কূটনীতিৰ বিভিন্ন কাৰ্যাৱলী সম্পৰ্কে লিখা।

Ans:- প্ৰত্যেক দেশেই নিজৰ দেশৰ নিৰাপত্তা, অৰ্থনৈতিক উন্নতি আৰু আন আন প্ৰয়োজনীয় সামৰিক শক্তি আৰু আন্তঃৰাষ্ট্ৰীয় অৱস্থাৰ পৰিপ্ৰেক্ষিতে বৈদেশিক নীতি ৰচনা কৰে। দেশৰ বৈদেশিক নীতিক কাৰ্যকৰী কৰাৰ উদ্দেশ্যে কূটনীতিৰ সহায় লব লগা হয়। বৈদেশিক নীতিক সফল কৰাৰ অন্যতম উপায় হৈছে কূটনীতি। কূটনীতিৰ উদ্দেশ্য বৈদেশিক নীতি নিৰ্ধাৰণ কৰা নহয়; বৈদেশিক নীতিক কাৰ্যকৰী কৰাহে হৈছে কূটনীতিৰ উদ্দেশ্য। বিভিন্ন দেশৰ লগত যুক্ত অৰ্তাৰ্ণ লোকসকলে সেইবোৰ দেশৰ ওপৰত হেঁচা প্ৰয়োগ কৰি বৈদেশিক নীতিক কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰাটোৱে হৈছে কূটনীতিৰ উদ্দেশ্য।

কূটনীতি শব্দটোক বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা দেখা যায়। কেতিয়াবা কেতিয়াবা কূটনীতি আৰু বৈদেশিক নীতিক একেটা অৰ্থতেই ব্যৱহাৰ কৰা হয়। কেতিয়াবা কেতিয়াবা কূটনীতিয়ে আলোচনাৰ জৰিয়তে সিদ্ধান্তত উপনীত হোৱাটোক বুজায়। কেতিয়াবা কূটনীতিয়ে আলোচনাৰ দক্ষতাক বুজায়। কেতিয়াবা আকৌ কূটনীতিৰ জৰিয়তে বৈদেশিক বিভাগৰ কোনো এটা অংশক বুজায়। কেতিয়াবা আকৌ কূটনীতিৰ জৰিয়তে আন্তৰ্ৰাষ্ট্ৰীয় সিদ্ধান্তত উপনীত হোৱাৰ দক্ষতাক বুজায়।

Scanned with CamScanner

কূটনীতিৰ সংজ্ঞাৰ ক্ষেত্ৰত চিন্তাবিদসকল একমত নহয়। অভিধান (Oxford English Dectionary) মতে কূটনীতি হৈছে: "আলাপ-আলোচনাৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক পৰিচালনা কৰাৰ ব্যৱস্থা। অৰ্থাৎ কূটনীতি হৈছে যেই পদ্ধতি; যাৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক পৰিচালনা কৰা হয়।"

ছেট' (Satow) ৰ মতে, "কূটনীতি হৈছে বিভিন্ন স্বাধীন দেশৰ মাজত চৰকাৰৰ পৰিচালনা কৰাৰ বিষয়ত বুদ্ধি আৰু কৌশলৰ প্ৰয়োগ।"

উইলছন (Wilson)-ৰ মতে, "কূটনীতি শব্দটোক বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা হয়। কূটনীতিয়ে আলাপ-আলোচনাৰ পদ্ধতিক বুজায়।"

কূটনৈতিক বিষয়াসকলে পালন কৰিবলগীয়া দায়িত্বৰ বিষয়ত চিন্তাবিদসকলৰ মাজত মতভেদ আছে। মৰগেনথাউ'-ৰ মতে, "শান্তি প্ৰতিষ্ঠাৰ কাৰণে কূটনৈতিক বিষয়াসকলে চাৰি প্ৰকাৰৰ কাৰ্য সম্পাদন কৰিব লাগে। এই চাৰিপ্ৰকাৰৰ কাৰ্য হৈছে নিজৰ দেশক প্ৰতিনিধিত্ব কৰা। নিজৰ দেশলৈ সংবাদ পঠিওৱা, স্বাৰ্থ ৰক্ষা কৰা আৰু অন্য দেশৰ লগত চুক্তি সম্পাদন কৰা। পামাৰ আৰু পাৰকিন্‌ছৰ মতে কূটনীতিবিদসকলে নিজৰ দেশৰ চকু আৰু কাণৰ ভূমিকা গ্ৰহণ কৰে। তেওঁলোকৰ প্ৰধান কাম হৈছে নিজৰ দেশৰ নীতিক কাৰ্যকৰী কৰা, দেশ আৰু নাগৰিকৰ স্বাৰ্থ ৰক্ষা কৰা আৰু বিদেশৰ পৰিস্থিতিৰ বিষয়ে নিজৰ দেশক সাম্প্ৰতিক জনাই থকা। চাইল্ড (Childs)-ৰ মতে,

Scanned with CamScanner

নিজৰ দেশক প্ৰতিনিধিত্ব কৰা, আলাপ-আলোচনা কৰা, প্ৰতিবেদন পঠিওৱা আৰু দেশ আৰু নাগৰিকৰ স্বাৰ্থ ৰক্ষা কৰাই হৈছে কূটনীতিৰ প্ৰধান কাম। কূটনীতিবিদ-সকলৰ কাম-কাজক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি —

(১) <u>প্ৰতিনিধিত্ব কৰা (Representation)</u>:- কূটনীতিবিদসকলক যি দেশৰ কাৰণে নিয়োগ কৰা হয় সেই দেশত নিজৰ দেশক প্ৰতিনিধিত্ব কৰা হৈছে তেওঁলোকৰ অন্যতম কৰ্তব্য। সেই দেশৰ বিভিন্ন চৰকাৰী অনুষ্ঠান, সভা-সমিতি আদিত তেওঁলোকে নিজৰ নিজৰ দেশক প্ৰতিনিধিত্ব কৰিব লাগে। কূটনৈতিক বিষয়া এজনক যি দেশৰ কাৰণে নিয়োগ কৰা হয়, সেই দেশৰ বৈদেশিক বিভাগৰ লগত তেওঁ সম্পৰ্ক ৰাখিব লাগে। সমাজৰ প্ৰভাৱশালী লোকৰ লগত সম্পৰ্ক ৰাখিব লাগে। বিভিন্ন ভোজমেল, সভা-সমিতি আদিত অংশগ্ৰহণ কৰিব লাগে। বিভিন্ন দেশৰ কূটনৈতিক বিষয়াসকলৰ লগতো সম্পৰ্ক ৰক্ষা কৰিব লাগে।

(২) <u>প্ৰতিবেদন দাখিল (Reporting)</u>:- কূটনৈতিক বিষয়া এজনক যিখন দেশলৈ পঠিওৱা হয়, সেই দেশত বিভিন্ন ধৰণৰ বিকাশ বা অগ্ৰগতি বিষয়ে নিজৰ দেশৰ চৰকাৰলৈ প্ৰতিবেদন পঠিওৱাটো কূটনৈতিক বিষয়াৰ অন্যতম কৰ্তব্য। সেই দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক জীৱনৰ বিষয়ে বিষয়াজনে নিজৰ দেশক জনাই থাকিব লাগে। এনেবোৰ বিষয়ে প্ৰতিবেদন প্ৰস্তুত কৰোঁতে কূটনৈতিক বিষয়াসকলে নিৰপেক্ষ আৰু বস্তুনিষ্ঠ হ'ব লাগে। কূটনৈতিক বিষয়া সকলৰ প্ৰতিবেদন প্ৰস্তুত কৰাৰ দক্ষতাও থকাও উচিত।

Scanned with CamScanner

(iii) <u>নাগৰিকৰ সুৰক্ষা</u> :- যেতিয়া কূটনৈতিক বিষয়াক বিদেশ দেশত নিযুক্তি কৰা হয় তেতিয়া দেশত থকা নিজ দেশৰ নাগৰিক সকলৰ নিৰাপত্তা আৰু সুৰক্ষা দিয়াটো তেওঁৰ প্ৰধান কৰ্তব্য। সেই দেশত বসবাস কৰা নিজ দেশৰ নাগৰিকৰ স্বাৰ্থ সুৰক্ষাৰ বাবে প্ৰতিবাদ আৰু প্ৰয়োজন আদিৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। কূটনৈতিক বিষয়া সকলে সেই দেশৰ চৰকাৰ আদালতে বহিৰ্ভাগৰ আদিৰ জৰিয়তে নিজ দেশৰ নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা দিব লাগিব।

(৪) <u>শান্তি চুক্তি স্বাক্ষৰ</u> :- যেতিয়া কূটনৈতিক বিষয়াৰ প্ৰধান আৰু পৰৰাষ্ট্ৰৰ কাৰ্য সকলো চুক্তি সন্ধি স্বাক্ষৰ কৰা। যিটো দেশত নিযুক্তি কৰা হয় সেইখন দেশৰ লগত যিকোনো বন্ধুত্বপূৰ্ণ বা বাণিজ্য নিৰাপত্তা মূলক চুক্তিৰ স্বাক্ষৰ কৰিব পাৰে। ইয়াৰ উপৰিও সেইখন দেশৰ বিভিন্ন বিষয়াৰ লগত সম্পৰ্ক স্থাপন কৰি নিজ দেশৰ স্বাৰ্থ সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

সাধাৰণতে কূটনৈতিক প্ৰধান কাম নিজৰ দেশ আৰু নাগৰিকৰ স্বাৰ্থ সুৰক্ষিত কৰা। ৰাষ্ট্ৰৰ এনে কাৰ্য সম্পন্ন কৰিবৰ বাবে কূটনৈতিক বিষয়াজন দক্ষ, আত্মিক, আৰু বাস্তৱ জ্ঞান সম্পন্ন হোৱা উচিত।

— x —

Scanned with CamScanner